# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 17-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি হাৰিয়ানাৰ ফৰিদাবাদত উত্তৰ মাণ্ডলিক পৰিষদৰ ৩২ সংখ্যক বৈঠকত অধ্যক্ষতা কৰিব।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে সংবাদ সংস্থাসমূহক ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত নিৰ্মাণৰ অংশ হ'বলৈ আহ্বান জনাইছে।

৩। বিহাৰ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ দুদিন পাছত ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়াই ৰাজ্যপাল আৰিফ মহম্মদ খানক নৱনিৰ্বাচিত ২৪৩ জন প্ৰাৰ্থীৰ তালিকা অৰ্পণ কৰে।

৪। বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা আৰু তেওঁৰ দুগৰাকী সহযোগীৰ বিৰুদ্ধে মানৱতা বিৰোধী গোচৰ সংক্ৰান্তত আজি আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধীকৰণে ৰায়দান কৰিব।

*আৰু*

৫। ভাৰতৰ আৰ্চাৰী খেলুৱৈ কুশল দালাল লাক্‌জেমবাৰ্গৰ ষ্টাচেনত অনুষ্ঠিত জিটি অ'পেন ইনড'ৰ বিশ্ব আৰ্চাৰী প্ৰতিযোগিতাৰ পুৰুষৰ কম্পাউণ্ড শাখাত জয়ী হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি হাৰিয়ানাৰ ফৰিদাবাদত উত্তৰ মাণ্ডলিক পৰিষদৰ ৩২ সংখ্যক বৈঠকত অধ্যক্ষতা কৰিব। এই বৈঠকত উত্তৰ মণ্ডলৰ ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে বিভিন্ন আঞ্চলিক আৰু ৰাষ্ট্ৰীয় সমস্যা সন্দৰ্ভত আলোচনা কৰিব। হাৰিয়ানা, হিমাচল প্ৰদেশ আৰু পাঞ্জাবৰ মুখ্যমন্ত্ৰী তথা দিল্লী, জম্মু-কাশ্মীৰ আৰু লাডাখৰ উপ-ৰাজ্যপাল আৰু চণ্ডিগড়ৰ জ্যেষ্ঠ বিষয়াসকলে এই বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত সহযোগিতামূলক বিষয় তথা উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত আলোচনা হোৱাৰ আশা কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত মাণ্ডলিক পৰিষদৰ ভূমিকা পৰামৰ্শদান গোটৰ বৈশিষ্ট্যৰ পৰা কাৰ্যকৰী মঞ্চলৈ পৰিৱৰ্তিত হৈছে বুলি বিষয়াসকলে প্ৰকাশ কৰিছে। দেশৰ উন্নয়ন আৰু নিৰাপত্তাৰ দিশৰ পৰা বিচাৰ কৰিলে উত্তৰ মণ্ডলীয় পৰিষদৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কিয়নো দেশৰ মুঠ ভূমিৰ ২১ শতাংশ আৰু মুঠ জনসংখ্যাৰ ১৩ শতাংশ সামৰি লোৱাৰ উপৰিও ৩৫ শতাংশতকৈও অধিক খাদ্য সামগ্ৰী এই উত্তৰ অঞ্চলতেই উৎপন্ন হয়।

১৯৫৬ চনৰ ৰাজ্য পুনৰ গঠন আইনৰ অধীনত গঠন কৰা মাণ্ডলিক পৰিষদসমূহে কেইবাখনো ৰাজ্য জড়িত হৈ থকা বিষয়সমূহত কাম কৰাৰ ক্ষেত্ৰত উপদেষ্টা গোটৰ দৰে কাম কৰে। যোৱা ১১ বছৰত বিভিন্ন মাণ্ডলিক পৰিষদৰ সৰ্বমুঠ ৬৩খন বৈঠক অনুষ্ঠিত হৈছে।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে সংবাদ সংস্থাসমূহক ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত নিৰ্মাণৰ অংশ হ'বলৈ আহ্বান জনাইছে। হায়দৰাবাদাত কালি প্ৰথম ৰামোজী উৎকৃষ্টতা বঁটা প্ৰদান অনুষ্ঠানত অংশ লৈ শ্ৰীৰাধাকৃষ্ণনে কয়, যে সামাজিক মাধ্যমৰ আধিপত্য আৰু ভুল তথ্যৰে পৰিচালিত এই সময়ত সংবাদ মাধ্যমে তেওঁলোকৰ কৰ্তব্য নিষ্ঠা সহকাৰে পালন কৰা উচিত। ৰামোজী গ্ৰুপ অৱ ইণ্ডাষ্ট্ৰিজৰ প্ৰতিস্থাপক ৰামোজী ৰাওৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি এই অনুষ্ঠানৰ আয়োজন কৰা হয়। শ্ৰীৰাধাকৃষ্ণনে তেওঁৰ ভাষণত কয়, যে এই প্ৰতিষ্ঠানসমূহ কেৱল বিনিয়োগৰ ভিত্তিত স্থাপন নহয়, বৰং ইয়াত মূল্যবোধ, সত্যতা, উৎকৃষ্টতা আৰু সমৰ্পণৰ ভাৱনা নিহিত হৈ থাকে। ৰামোজী ৰাওৱে তেওঁৰ জীৱনকালত যি মূল্যবোধৰ দ্বাৰা পৰিচালিত হৈছিল তাৰ প্ৰতি লক্ষ্য ৰাখি এই শ্ৰদ্ধাঞ্জলি সঠিক হৈছে বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত গ্ৰামোন্নয়ন আৰু বিজ্ঞান প্ৰযুক্তিকে ধৰি সাতটা খণ্ডত ৰামোজী উৎকৃষ্টতা বঁটা প্ৰদান কৰা হয়।

০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ দুদিন পাছত ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া বিনোদ সিং গুঞ্জিয়ালে পাটনাৰ ৰাজভৱনত ৰাজ্যপাল আৰিফ মহম্মদ খানক নৱনিৰ্বাচিত ২৪৩ জন প্ৰাৰ্থীৰ তালিকা অৰ্পণ কৰে। এই তালিকাখনত এন ডি এৰ ২০২ জন, মহামিত্ৰজোঁটৰ ৩৪ জনৰ লগতে এ আই এম আই এম, ইণ্ডিয়ান ইনক্লুশিভ পাৰ্টি আৰু বহুজন সমাজ পাৰ্টিৰ আইন প্ৰণেতাসকলকে ধৰি সকলোবোৰ প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত হৈ আছে। ইপিনে ভাৰতৰ নিৰ্বাচন আয়োগে বিধানসভা নিৰ্বাচন আৰু উপ-নিৰ্বাচনৰ সামৰণিৰ পৰিপ্ৰেক্ষিতত বিহাৰকে ধৰি আন ছখন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ পৰা নিৰ্বাচনী আচৰণ বিধি উঠাই লৈছে। নিৰ্বাচন আয়োগে এই সন্দৰ্ভত কেবিনেট সচিব, ভাৰত চৰকাৰ আৰু সংশ্লিষ্ট ৰাজ্যসমূহৰ মুখ্য সচিবলৈ পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে যোৱা ১১ নৱেম্বৰত ৰাজস্থান, তেলেংগানা, উড়িশা, পাঞ্জাব, ঝাৰখণ্ড, মিজোৰাম আৰু জম্মু-কাশ্মীৰৰ ৮টা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছিল।

০০০০০

বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা আৰু তেওঁৰ দুগৰাকী সহযোগীৰ বিৰুদ্ধে মানৱতা উলংঘনৰ গোচৰ সংক্ৰান্তত আজি আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধীকৰণে ৰায়দান কৰিব। ন্যায়াধীশ মহম্মদ গোলাম মৰ্তুজা মজুমদাৰ নেতৃত্বাধীন তিনিজনীয়া বিচাৰপীঠে ৰায়দানৰ পৰিপ্ৰেক্ষিতত ঢাকাত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। বোৰ্ডাৰ গাৰ্ড বাংলাদেশ, ৰেপিড এক্‌চন বেটেলিয়ন আৰু সেনাৰ অতিৰিক্ত বাহিনী ন্যায়াধীকৰণ এলেকাত নিয়োগ কৰা হৈছে।

০০০০০

উত্তৰ প্ৰদেশৰ সোণভদ্ৰা জিলাৰ এটা শিলৰ কুৱেৰীত আৱদ্ধ হৈ থকা শ্ৰমিকসকলক উদ্ধাৰৰ বাবে অভিযান চলাই থকা হৈছে। যোৱা শনিবাৰে বিয়লি শিলৰ কুৱেৰীটোত সংঘটিত ঘটনাটোত কৰ্মৰত অৱস্থাত এজন শ্ৰমিকৰ মৃত্যু হয়। কুৱেৰীটোত ১২ জনতকৈও অধিক শ্ৰমিক বৰ্তমানো আৱদ্ধ হৈ আছে আমাৰ সংবাদদাতাই জনাইছে। শিলৰ কুৱেৰীটোত খহি পৰা প্ৰকাণ্ড শিল আৰু তাত জমা হৈ পৰা পানীৰ বাবে উদ্ধাৰকাৰী দলে উদ্ধাৰকাৰ্যত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। শিলৰ কুৱেৰীটোত সংঘটিত দুৰ্ঘটনা সন্দৰ্ভত ৰাজ্যখনৰ আৰক্ষী বিভাগে কুৱেৰীটো লিজত লোৱা এজন লোকৰ বিৰুদ্ধে নিজাববীয়াকৈ এটা গোচৰ ৰুজু কৰিছে। উল্লেখযোগ্য যে কুৱেৰীটোত দীৰ্ঘদিন ধৰি অবৈধভাৱে শিল খননকাৰ্য চলি থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে। সোণভদ্ৰা জিলাৰ অব্ৰাৰ বিল্লী মাৰ্কুন্দি গাঁৱত সংঘটিত এই ঘটনাত যোৱা শনিবাৰে

এজন শ্ৰমিকৰ মৃত্যু হৈছিল। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী- এন ডি আৰ এফ আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী- এছ্ ডি আৰ এফ তথা স্থানীয় প্ৰশাসনে কুৰেৰীটোত আৱদ্ধ হৈ থকা শ্ৰমিকসকলক উদ্ধাৰৰ বাবে যুদ্ধসদৃশ তৎপৰতা চলাই আছে বুলি আমাৰ আকাশবাণীৰ সংবাদদাতাই জনাইছে।

০০০০০

সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ- ইউ এ ইত আজি বায়ুসেনাৰ প্ৰদৰ্শন ডুবাই এয়াৰ শ্ব'-২০২৫ আৰম্ভ হ'ব। দুদিনীয়া এই প্ৰদৰ্শনীত প্ৰতিৰক্ষা বিভাগে নিজৰ শক্তি প্ৰদৰ্শন কৰিব। ভাৰতীয় বায়ুসেনায়ো এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি সূৰ্য কিৰণ এৰ'বেটিক টীম আৰু এল চি এ তেজস্বৰ জৰিয়তে ভাৰতীয় বায়ুসেনাৰ শক্তি প্ৰদৰ্শন কৰিব। কেন্দ্ৰীয় প্ৰতিৰক্ষা ৰাজ্য মন্ত্ৰী সঞ্জয় সেঠে ভাৰতীয় দলক নেতৃত্ব দিব। এই ভ্ৰমণকালত শ্ৰীসেঠে ইউ এ ইৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত অংশ ল'ব। তেওঁ লগতে ভাৰতৰ প্ৰতিৰক্ষা প্ৰযুক্তি আৰু নিৰ্মাণ সন্দৰ্ভত সহযোগিতা আগবঢ়োৱাৰ উদ্দেশ্যে ভাৰত ইউ এ ই, অষ্ট্ৰেলিয়া, আমেৰিকা, ব্ৰাজিল, ব্ৰিটেইন আৰু ইটালীৰ সৰ্বমুঠ ৫০টা কোম্পানীৰ প্ৰতিনিধিৰ সৈতে এখন বৈঠকত ভাগ ল'ব।

ডুবাই এয়াৰ শ্ব' হৈছে দুবছৰীয়া এক বৃহৎ প্ৰদৰ্শন। য'ত বৃহৎ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কোম্পানীসমূহৰ লগতে ১৫০ খন দেশৰ এহেজাৰতকৈও অধিক প্ৰদৰ্শক আৰু এক লাখ ৪০ হাজাৰতকৈও অধিক ঔদ্যোগিক বিষয়াই আগভাগ গ্ৰহণ কৰে।

০০০০০

বিহাৰত নতুন চৰকাৰ গঠনৰ বাবে এন ডি এৰ ৰাজনৈতিক জল্পনা-কল্পনা অব্যাহত আছে। ৰাজ্যখনৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত জয়লাভ কৰাৰ পাছত চৰকাৰ গঠনৰ বাবে এন ডি এ সাজু হৈ উঠিছে। এন ডি এৰ মিত্ৰজোঁটৰ সদস্যসকলে পাটনা আৰু নতুন দিল্লীত আলোচনা চলি আছে। জি ডি ইউৰ বিধায়িনী দলে আজি পাটনাত নেতা নিৰ্বাচনৰ বৈঠকত মিলিত হ'ব। দলটোৰ ৮৫ জন নৱনিৰ্বাচিত বিধায়কে নিতীশ কুমাৰক সৰ্বসন্মতি ক্ৰমে নিৰ্বাচিত কৰাৰ সম্ভাৱনা আছে।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰী তথা লোক জনশক্তি পাৰ্টী ৰামবিলাসৰ সভাপতি চিৰাগ পাচোৱান, হিন্দুস্তানী আৱাম মৰ্চাৰ সভাপতি সন্তোষ সুমন তথা এন ডি এৰ কেইবাগৰাকীও নেতাই জনতা দল ইউনাইটেডৰ সভাপতি তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰক কালি পাটনাত সাক্ষাৎ কৰে। এই বৈঠকত চৰকাৰ গঠন সন্দৰ্ভত অনানুষ্ঠানিক আলোচনা কৰা হয়। জে ডি ইউৰ কাৰ্যকৰী সভাপতি সঞ্জয় ঝা আৰু কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙেও জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহক শনিবাৰে সন্ধিয়াৰ ভাগত নতুন দিল্লীত সাক্ষাৎ কৰে।

০০০০০

ভাৰতৰ আৰ্চাৰী খেলুৱৈ কুশল দালাল লাক্‌জেমবাৰ্গৰ ষ্ট্ৰাচেনত অনুষ্ঠিত জিটি অ'পেন ইনড'ৰ বিশ্ব আৰ্চাৰী প্ৰতিযোগিতাৰ পুৰুষৰ কম্পাউণ্ড শাখাত জয়ী হৈছে। কুশলে ডাবল শ্বুটঅফত আমেৰিকাৰ ষ্টিফেন হানচেনক পৰাস্ত কৰি সোণৰ পদক জয় কৰে। ইয়াৰ পূৰ্বে ছেমি ফাইনেলত কুশলে বিশ্ব চেম্পিয়ন ফ্ৰান্সৰ নিকোলাছ জেৰাৰ্ডক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ভাৰতৰ গণেশ মণিৰত্নম তিৰুমুৰুৱেই ২১ বছৰ অনূৰ্ধ কম্পাউণ্ড শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০

সমাপ্ত